জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

**নং ঃ ২৯০/২০২১**

<u>ৰে'ল দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰীয়ে সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক</u>

# দীপৰ বিলৰ অংশত হাতীৰ সুৰক্ষাৰ বাবে ইলেভেটেড কৰিডৰ নিৰ্মাণৰ পদক্ষেপ ল'বলৈ কেন্দ্ৰীয় ৰে'ল মন্ত্ৰীক মুখ্যমন্ত্ৰীৰ অনুৰোধ

# গুৱাহাটীত ইণ্ডিয়ান ইনষ্টিটিউট অৱ ফেশ্যন টেকন'লজিৰ এক প্ৰতিষ্ঠান স্থাপনৰ উদ্যোগ ল'বলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২৪ ছেপ্টেম্বৰ ঃ** ৰে'ল আৰু বস্ত্ৰশিল্প দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী দৰ্শনা জৰ্দোশে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তেখেতৰ চৰকাৰী আৱাসগৃহত সাক্ষাৎ কৰি ৰাজ্যখনত ৰূপায়িত হৈ থকা ৰে'ল বিভাগৰ বিভিন্ন প্ৰকল্প সম্বন্ধে এক আলোচনাত মিলিত হয়।

আলোচনাকালত মুখ্যমন্ত্ৰী ড° শৰ্মাই উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ অসমৰ অংশত ৰে'লৰ বৈদ্যুতিকীকৰণৰ কাম দ্ৰুততাৰে কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে লগতে ৰে'ল আলিৰ দ্বৈতকৰণৰ কাম-কাজো ক্ষিপ্ৰতৰ কৰাৰ বাবে অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড়লৈকে ৰে'লৰ আলিৰ দ্বৈতকৰণৰ প্ৰকল্পৰ পৰিসৰ বৃদ্ধি কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অনুৰোধ জনায়।

দীপৰ বিল এলেকাত ৰে'লৰ দুৰ্ঘটনাৰ ফলত হাতীৰ মৃত্যু হোৱাৰ দিশটোৰ প্ৰতি আঙুলিয়াই দি মুখ্যমন্ত্ৰী ড° শৰ্মাই হাতীৰ মুক্ত অহা-যোৱাত সহায়ক হোৱাকৈ সেই অংশত এক ইলেভেটেড কৰিডৰ নিৰ্মাণৰ পদক্ষেপ ল'বলৈও কেন্দ্ৰীয় ৰে'ল মন্ত্ৰীগৰাকীক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যৰখনৰ কিছু এলেকাত ৰে'ল আলিৰ ওপৰেৰে উৰণীয়া সেঁতু নিৰ্মাণৰ বিষয়টো উল্লেখ কৰি ইয়াৰ লগত জড়িত বিষয়সমূহ সোনকালে মীমাংসা কৰি এই উৰণীয়া সেঁতু সমূহৰ নিৰ্মাণকাৰ্য সোনকালে সম্পূৰ্ণ কৰাৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'ল কৰ্তৃপক্ষক নিৰ্দেশ প্ৰদান কৰিবলৈও তেওঁ কেন্দ্ৰীয় ৰে'ল মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। বৰাক উপত্যকা হৈ নতুন দিল্লী আৰু আগৰতলাৰ মাজত চলাচল কৰা ৰাজধানী এক্সপ্ৰেছৰ চলাচলৰ মাত্ৰা বৃদ্ধি কৰাৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকতে কেন্দ্ৰীয় ৰে'ল দপ্তৰৰ ৰাজ্যিক মন্ত্ৰীগৰাকীক অনুৰোধ জনায়।

বস্ত্ৰশিল্পৰ বিষয়ে আলোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক গুৱাহাটীত ইণ্ডিয়ান ইনষ্টিটিউট অৱ ফেশ্যন টেকন'লজিৰ এটা প্ৰতিষ্ঠান স্থাপন কৰাৰ বাবে অনুৰোধ জনায়। আলোচনাকালত মুখ্যমন্ত্ৰীয়ে অসমৰ শিপীনিৰ উৎপাদনে যাতে বিশ্ব বজাৰ দখল কৰিব পাৰে তাৰ বাবে উন্নত প্ৰযুক্তিৰ প্ৰয়োগৰ দিশত অসমৰ বস্ত্ৰশিল্প খণ্ডলৈ সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে আহ্বান জনায়।

আজিৰ এই আলোচনাকালত ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়া তথা ৰে'ল বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**

**২৪-০৯-২০২১**